# পাঠ ৪ ৭
# অসমৰ সম্পদ

2H95JL

**মূল অৰ্হতা ৪**

- অসমৰ বিভিন্ন প্ৰকাৰৰ সম্পদ সম্পৰ্কে জনা আৰু সেইবোৰৰ বিতৰণ সম্পৰ্কে ধাৰণা পোৱা।
- সম্পদসমূহৰ অৰ্থনৈতিক গুৰুত্ব বুজি পোৱা।
- মানৱ সম্পদৰ গুৰুত্ব উপলব্ধি কৰা।

মানুহ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। প্ৰকৃতিৰ বিভিন্ন উপাদান তথা সম্পদ আহৰণ কৰি মানুহে ব্যক্তিগত আৰু সামুহিক উন্নয়নৰ কামত ব্যৱহাৰ কৰি আহিছে। প্ৰাকৃতিক সম্পদৰ বিতৰণ সকলো ঠাইতে সমান নহয়। যথেষ্ট প্ৰাকৃতিক সম্পদ থকা অঞ্চল বা দেশসমূহৰ উন্নয়ন সহজসাধ্য হয়। অৱশ্যে, এনে সম্পদৰ সঠিক ব্যৱহাৰ ঘাইকৈ নিৰ্ভৰ কৰে দক্ষ মানৱ সম্পদ, যাতায়াত, পৰিবহণ আৰু বজাৰ আদি বুনিয়াদী সা-সুবিধাৰ ওপৰত।

অসম প্ৰাকৃতিক সম্পদত এখন চহকী ৰাজ্য। উৰ্বৰ ভূমি, অনেক প্ৰজাতিৰ উদ্ভিদ, জলৰাশি আৰু তাৰ প্ৰাণীকুল আৰু ভূ-গৰ্ভৰ খনিজ সম্পদে অসমখনক এখন সম্পদশালী ৰাজ্যত পৰিণত কৰিছে। অসমত সিঁচৰতি হৈ থকা সম্পদসমূহক তলত উল্লেখ কৰা ধৰণে আলোচনা কৰিব পাৰি।

## বনজ সম্পদ ৪

চৰকাৰী তথ্য অনুসৰি অসমৰ মুঠ মাটিকালিৰ প্ৰায় ২০.৬ শতাংশ ঠাই অৰণ্যই আগুৰি আছে। বৃষ্টিপাত, বায়ুৰ উষ্ণতা আৰু মাটিৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি অসমৰ বিভিন্ন অঞ্চলত বিভিন্ন উদ্ভিদ পোৱা যায়। উজনি অসমৰ শিৱসাগৰ, ডিব্ৰুগড়, যোৰহাট আদিৰ উপৰি ডিমা হাছাও আৰু কাছাৰ জিলা আদি ঠাইত বৰষুণৰ মাত্ৰা অধিক। এইবোৰ অঞ্চলত বছৰি গড়ে প্ৰায় ২০০ ছেণ্টিমিটাৰৰ অধিক বৰষুণ হয় আৰু গড় উষ্ণতা ২৫° ছেণ্টিগ্ৰেড পোৱা যায়। ইয়াৰ উদ্ভিদবোৰ গোটেই বছৰজুৰি পাতেৰে সেউজীয়া হৈ থাকে। এনে চিৰসেউজীয়া উদ্ভিদ এই অঞ্চলত পোৱা যায়। হলং, হলক, মাকাই, নাহৰ, উৰিয়াম, তিতাছপা আদি এই অঞ্চলৰ ওখ ওখ চিৰসেউজীয়া গছ। লখিমপুৰ, ধেমাজি আৰু শোণিতপুৰ জিলাৰ উত্তৰৰ সীমামুৰীয়া অঞ্চলতো এই শ্ৰেণীৰ উদ্ভিদ পোৱা যায়। বিবিধ প্ৰকাৰৰ কপৌ আৰু বেট অঞ্চলটিৰ উল্লেখযোগ্য উদ্ভিদ।

বছৰি বৰষুণ প্ৰায় ১০০ ৰ পৰা ২০০ ছেণ্টিমিটাৰৰ ভিতৰত হোৱা অঞ্চলসমূহত বসন্তকালত বতৰ শুকান হৈ গছৰ পাত সৰি যায়। এই শ্ৰেণীৰ উদ্ভিদক **পৰ্ণপাতী উদ্ভিদ** বোলে। এনে মৌচুমীয় পৰ্ণপাতী উদ্ভিদ কামৰূপ, গোৱালপাৰা আৰু কোকৰাঝাৰ জিলাৰ উপৰি অসমৰ প্ৰায় সকলো অঞ্চলতে সিঁচৰতি হৈ আছে। শাল, চেগুণ, গমাৰি, শিমলু, আম, কঠাল আদি এনে কিছুমান উদ্ভিদ।

অসমৰ প্ৰধান নৈ-উপনৈসমূহৰ দুয়োপাৰে খয়ৰ, শিশু, শিমলু, কদম, কৰৈ আদি ডাঙৰ গছৰ লগতে চাপৰ তৃণজাতীয় উদ্ভিদ পোৱা যায়। আনহাতে, নৈপৰীয়া দ' (আৰ্দ্ৰভূমি) অঞ্চল আৰু হিমালয়ৰ নামনি অংশত ঠায়ে ঠায়ে নলখাগৰি, খেৰ আদি উদ্ভিদৰ একশ্ৰেণীৰ তৃণভূমি পোৱা যায়। ব্ৰহ্মপুত্ৰৰ পাৰৰ কাজিৰঙা, লাওখোৱা, ওৰাং আৰু মাজুলী; হিমালয়ৰ নামনিৰ মানাহ, নামেৰি আদি বনাঞ্চলত তেনে উদ্ভিদ অধিক পৰিমাণে পোৱা যায়।

উদ্ভিদৰ লেখীয়াকৈ বিভিন্ন প্ৰজাতিৰ বনৰীয়া প্ৰাণীও অসমত পোৱা যায়। ইয়াৰ ভিতৰত গড়, হাতী, বাঘ,

বনৰীয়া ম'হ, ভালুক, হৰিণ, গাহৰি বিভিন্ন প্ৰজাতিৰ বান্দৰ অসমৰ হাবিত আছে। অৱশ্যে, ইয়াৰ বাসস্থান এতিয়া কেৱল সংৰক্ষিত বনাঞ্চল, অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানসমূহতে সীমিত হৈ পৰিছে। অসমত থকা হলক, গিবন, নল গাহৰি, সোণালী বান্দৰ আৰু দেওহাঁহ আদি বিৰল প্ৰজাতিৰ প্ৰাণী। অসমৰ ৰাষ্ট্ৰীয় উদ্যান, বন্যপ্ৰাণী আৰু পক্ষী অভয়াৰণ্য আদিৰ বিষয়ে তোমালোকে ইতিমধ্যে জানিব পাৰিছা। এইবোৰত প্ৰাণীসমূহ সুৰক্ষিত হৈ থাকে। আনহাতে, ইহঁতে বংশবৃদ্ধিৰো সুবিধা পায়। নামেৰি আৰু মানাহত বাঘ সংৰক্ষণৰ বাবে দুটা ব্যাঘ্ৰ প্ৰকল্প আছে। ভাৰতবৰ্ষৰ ভিতৰতে আটাইতকৈ অধিক সংখ্যক প্ৰজাতিৰ চৰাইৰ বাসভূমি হ'ল অসম। ইয়াৰ উপৰি অনেক প্ৰজাতিৰ পৰিভ্ৰমী পক্ষী এই আৰ্দ্ৰভূমিসমূহলৈ আহে। সামগ্ৰিকভাৱে অসমৰ উদ্ভিদ আৰু বন্যপ্ৰাণীসমূহে প্ৰাকৃতিক ভাৰসাম্য বজাই ৰখাৰ উপৰি সৌন্দৰ্যবৰ্ধন কৰি আহিছে।

অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত বনজ সম্পদে বিশেষ ভূমিকা লৈ আহিছে। ঘৰ-দুৱাৰ তথা অন্যান্য আচবাব আদি নিৰ্মাণৰ বাবে প্ৰয়োজনীয় কাঠ অসমৰ হাবিৰ পৰাই সংগ্ৰহ কৰা হয়। সমগ্ৰ অসমতে সিঁচৰতি হৈ থকা কেইবাশ কাঠফলা কলে এই কাঠসমূহ যোগান ধৰে। প্ৰধানকৈ অসমৰ হাবিৰ কাঠ আৰু বাঁহৰ ওপৰত নিৰ্ভৰ কৰি জাগীৰোড, যোগীঘোপা (বৰ্তমান বন্ধ হৈ আছে) আৰু পঞ্চগ্ৰাম কাগজ কলকেইটা চলে। আনহাতে, মাকুম, মাৰ্ঘেৰিটা, মৰিয়নি, ডিফুত থকা প্লাইউড কাৰখানাসমূহৰ বাবে অসমৰ হাবিৰ পৰাই কাঠ সংগ্ৰহ কৰা হয়। অসমৰ জুইশলা কাৰখানা কেইটাত অসমৰ হাবি-বননিৰ কাঠ ব্যৱহাৰ হয়। অসমত উৎপন্ন হোৱা বাঁহ আৰু বাঁহেৰে তৈয়াৰ কৰা সামগ্ৰীয়ে ৰাজ্যখনৰ চাহিদা পূৰোৱাৰ লগতে বাহিৰৰ ৰাজ্যৰ পৰা ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। অসমৰ প্ৰায়বোৰ নদীৰ বুকুৰ পৰা শিল আৰু বালি আহৰণ কৰি ঘৰ-দুৱাৰ, বাট-পথ আদি নিৰ্মাণত ব্যৱহাৰ কৰা হয়। অসমৰ মানুহৰ বাবে প্ৰয়োজনীয় খৰি এই হাবি-বননিবোৰৰ পৰাই সংগ্ৰহ কৰা হয়। অৰণ্যৰ দাঁতি কাষৰীয়া গাঁওসমূহত বাস কৰা লোকসকলে অৰণ্যৰ পৰাই খাদ্য-সামগ্ৰী, খৰি, খেৰ, পাতিদৈ, টকৌপাত, ৰবৰ, ঔষধি উদ্ভিদ আদি সংগ্ৰহ কৰি জীৱন নিৰ্বাহ কৰে। তাৰোপৰি অসমত থকা ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য আৰু সংৰক্ষিত বনাঞ্চলৰ ওপৰত ভিত্তি কৰি সীমিত সংখ্যক পৰ্যটন উদ্যোগ গঢ়ি উঠিছে। এনে স্থানসমূহক কেন্দ্ৰ কৰি অধিক পৰ্যটন উদ্যোগ গঢ়ি উঠিলে নিয়োগৰ যথেষ্ট সুবিধা হ'ব। এনেদৰেই বনজ সম্পদে অসমৰ অৰ্থনীতিত বিশেষ বৰঙণি যোগাই আহিছে।

জধে-মধে বন্যভূমি ধ্বংস কৰি কৃষিকাৰ্য, বাসস্থান নিৰ্মাণ, উদ্যোগ স্থাপন, ৰে'লপথ আৰু ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা আদি কাৰ্যই অসমৰ বন্যভূমিৰ পৰিমাণ দ্ৰুতগতিত হ্ৰাস কৰি আনিছে। ইয়াৰ ফলত বন্যপ্ৰাণীসমূহৰ সংখ্যাও হ্ৰাস পাই আহিছে। আনহাতে বনানী ধ্বংসকৰণে বানপানী, খৰাং আদি দুৰ্যোগৰ সঘন আগমনত অৰিহণা যোগাইছে।


**ক্ৰিয়াকলাপ ঃ**

- তোমাৰ অঞ্চলত থকা তিনিবিধ চিৰসেউজীয়া উদ্ভিদৰ নাম লিখা।
- তোমাৰ অঞ্চলত পোৱা তিনিবিধ পৰ্ণপাতী উদ্ভিদৰ নাম লিখা।
- উদ্ভিদৰ সংখ্যা বৃদ্ধি আৰু বন্যপ্ৰাণী সংৰক্ষণৰ ৩টা উপায় লিখা।

## খনিজ সম্পদ ঃ

অসমৰ ভূগৰ্ভত কয়লা, খাৰুৱাতেল, প্ৰাকৃতিক গেছ, চুণশিল, ছিলিমেনাইট, এছবেষ্টচ আদি খনিজ সম্পদ পোৱা যায়। ১৮৮৯ চনত ইংৰাজসকলে ভাৰতৰ ভিতৰতে প্ৰথমতে ডিগবৈত খাৰুৱা তেলৰ সন্ধান পায়। বৰ্তমান নাহৰকটীয়া, হুগ্ৰীজান, মৰাণ, ৰুদ্ৰসাগৰ, গেলেকী, বৰহোলা, লাকুৱা, দিহিং উপত্যকা আদি ঠাইৰ তেলৰ পুঙৰ পৰা খাৰুৱা তেল আহৰণ কৰা হয়। এই পুংসমূহৰ পৰা খাৰুৱা তেলৰ উপৰি প্ৰাকৃতিক গেছো আহৰণ কৰা হয়। অ' এন জি

চি (ONGC- Oil and Natural Gas Commission), ও আই এল (OIL-Oil India Limited) আদি সংস্থাসমূহে খাৰুৱা তেলৰ অনুসন্ধান আৰু উদ্‌ঘাটনৰ কাম কৰি আহিছে। অসমৰ পৰা আহৰণ কৰা খাৰুৱাতেল ডিগবৈ, নুনমাটি, বঙাইগাঁও আৰু নুমলিগড় শোধনাগাৰত শোধন কৰাৰ উপৰি অসমৰ বাহিৰলৈও পাইপযোগে পঠিওৱা হয়। খাৰুৱাতেলৰ পৰা অসম চৰকাৰে যথেষ্ট পৰিমাণে ৰাজহ লাভ কৰে। আনহাতে, প্ৰাকৃতিক গেছৰ অধিক অংশই বৰ্তমানলৈ উপযুক্ত ব্যৱহাৰ কৰিব পৰা হোৱা নাই। অৱশ্যে, ডিব্ৰুগড়ৰ লেপেটকটাত নিৰ্মাণৰত গেছ ক্ৰেকাৰ উদ্যোগৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে এই গেছৰ উপযুক্ত ব্যৱহাৰ হোৱাৰ আশা আছে। খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ ওপৰত ভিত্তি কৰি অসমত কিছুসংখ্যক আনুসংগিক উদ্যোগ গঢ়ি উঠিছে। এই দিশত অধিক উদ্যোগ গঢ়ি উঠাৰ যথেষ্ট সম্ভাৱনা আছে (চিত্ৰ ৭.১)।




*চিত্ৰ ঃ ৭.১ খনিজ সম্পদৰ বিতৰণ (অসম)*

উৎপত্তিৰ দিশৰ পৰা অসমৰ কয়লা বেছি পুৰণি নহয়। ই টাৰচিয়েৰী যুগৰ। সেয়েহে, ইয়াৰ মান বৰ উন্নত নহয়। উজনি অসমৰ মাকুম, লিডু, মাৰ্ঘেৰিটা, জয়পুৰ, নাফুক, নাগিনিমৰা আদিত এই শ্ৰেণীৰ কয়লাখনি আছে। কাৰ্বি পাহাৰৰ কয়লাজান, শিলভেটা, লংলৈ, শিঙিমাৰী আদিত কম পৰিমাণে উৎকৃষ্টমানৰ গণ্ডোৱানা কয়লা পোৱা যায়। এই কয়লাৰ পৰা ৰাজ্যখনে যথেষ্ট ৰাজহ আহৰণ কৰে। কোনো কোনো স্থানত কয়লা অবৈজ্ঞানিক প্ৰণালীৰে মুক্ত খনন কৰাৰ ফলত তাৰ ওচৰে-পাজৰে পৰিৱেশৰ ওপৰত কুপ্ৰভাৱ পৰিবলৈ লৈছে।

**জানি থওঁ আহা ঃ**

- খাৰুৱাতেল শোধন কৰি পেট্ৰ'ল, কেৰাচিন, ডিজেল, গেছলিন, পেৰাফিন, বিটুমিন আদি পোৱা যায়। ইয়াৰ উপৰি খাৰুৱা তেলৰ পৰা পৰোক্ষভাৱে প্লাষ্টিক, চিনথেটিক ৰাবাৰ, পলিয়েষ্টাৰ সুতা, ঔষধ, প্ৰসাধন জাতীয় সামগ্ৰীও প্ৰস্তুত কৰা হয়।

ডিমা-হাছাও জিলাৰ উমৰাংচু, কাৰ্বি আংলং জিলাৰ কয়লাজান আৰু ডিলাই পাহাৰত চুণশিলৰ ভাণ্ডাৰ আছে। এই চুণশিল প্ৰধানকৈ বোকাজানৰ চিমেণ্ট কাৰখানাত ব্যৱহাৰ হয়। আকৌ, কাৰ্বি আংলং জিলাৰ কোনো কোনো ঠাইত কিছু পৰিমাণে ছিলিমেনাইট আৰু চিনামাটি (China clay) পোৱা যায়।

**ক্ৰিয়াকলাপ ঃ**

- অসমৰ খাৰুৱা তেলৰ পুং থকা পাঁচখন ঠাইৰ নাম লিখা।
- অসমৰ কয়লাখনি থকা পাঁচখন ঠাইৰ নাম লিখা।
- খনিজ সম্পদত অধিক চহকী অসমৰ পাহাৰীয়া জিলাখনৰ নাম কি?

## জলসম্পদ ঃ

পানী এক অমূল্য সম্পদ। উদ্ভিদ আৰু জীৱ-জন্তু সকলোৰে বাবে পানী অতি প্ৰয়োজনীয়। মানুহে খোৱা আৰু অন্যান্য ঘৰুৱা কাম-কাজৰ উপৰি জলসিঞ্চন, মীনপালন, পশুপালন আৰু ঔদ্যোগিক কাম-কাজত পানী ব্যৱহাৰ কৰে। অসমত পৃষ্ঠজল (surface water) আৰু ভু-তলজল (underground water) দুয়োটাই উভৈনদী। অসমৰ নৈ, উপনৈ আৰু আৰ্দ্ৰভূমিসমূহেই হ'ল পৃষ্ঠজলৰ ভাণ্ডাৰ।

অসমত মৌছুমী বতাহৰ প্ৰভাৱত প্ৰতিবছৰে প্ৰায় ১০০ ছেণ্টিমিটাৰৰ পৰা ২০০ ছেণ্টিমিটাৰ বৰষুণ হয়। জুন মাহৰ পৰা অক্টোবৰ মাহৰ ভিতৰত অসমত হোৱা মুঠ বৰষুণৰ প্ৰায় ৯০ শতাংশ বৰষুণ হয়। এই বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰ কৰিয়েই অসমৰ কৃষকসকলে বিভিন্ন প্ৰকাৰৰ খাৰিফ শস্যৰ খেতি কৰে।

অসংখ্য নদী-উপনদীয়ে ভৰি থকা বাবে অসমক এখন নদীমাতৃক দেশ বোলে। ব্ৰহ্মপুত্ৰ আৰু বৰাক হ'ল অসমৰ প্ৰধান নৈ। ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰপাৰৰ প্ৰধান উপনৈসমূহ ক্ৰমে সোৱণশিৰি, জীয়াভৰলী, জীয়াধনশিৰি, পুঠিমাৰি, পাগলা দিয়া, মানাহ আৰু চম্পাৱতী। একেদৰে দক্ষিণপাৰৰ উপনৈসমূহ ক্ৰমে বুঢ়ীদিহিং, দিখৌ, ধনশিৰি, কপিলী, দুধনৈ আৰু কৃষ্ণাই। বৰাক নৈত জিৰি, জাতিংগা, সোণাই, ধলেশ্বৰী আদি ৯খন উপনৈ মিলিত হৈছে চিত্ৰ ৭.২)।

**জানি থওঁ আহা**

- তিব্বতৰ টামচুক খাম্বলা চোৰটেন (Tamchok Khambla Chorten) নামৰ ঠাইৰ চেমা য়ুং দুং (Chema-yung-dung) হিমবাহৰ পৰা ওলাই অহা মুঠ ২,৯০৬ কিল'মিটাৰ দীঘল ব্ৰহ্মপুত্ৰ নদীয়ে অসমত প্ৰায় ৬৪০ কিল'মিটাৰ পথ অতিক্ৰম কৰিছে। আনহাতে, বৰাক নৈ, নাগালেণ্ড আৰু মণিপুৰ ৰাজ্যৰ সীমাত বৰাইল পাহাৰৰ পৰা ওলাই কাছাৰ জিলাত পশ্চিমলৈ প্ৰায় ২২৫ কিল'মিটাৰ বৈ গৈ বাংলাদেশত সোমাইছে।

ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈসমূহ বাৰিষাকালত বৰষুণৰ পানীৰে উপচি পৰে। আনহাতে, উত্তৰ পাৰৰ কেইখনমান উপনৈয়ে হিমালয়ৰ পৰা পোৱা বৰফগলিত পানী ব্ৰহ্মপুত্ৰলৈ কঢ়িয়াই আনে। নদীৰ বুকুত ওফন্দি উঠা পানীভাগে নৈৰ দাঁতিকাষৰীয়া অঞ্চলত বানপানীৰ সৃষ্টি কৰে। ইয়াৰ উপৰি ঠায়ে ঠায়ে নিম্নভূমি অঞ্চলত বৰষুণৰ পানী জমা হৈ বাৰিষা কালত জলমগ্ন হৈ পৰে। এনেবোৰ সমস্যাৰ উপশম ঘটাবলৈ অসমত বৈজ্ঞানিক ভিত্তিত এক প্ৰবাহমান জল পৰিচালনা আঁচনিৰ (Running water Management Scheme) প্ৰয়োজন।

এই জলৰাশিয়ে অসমৰ ভুমিক জীপাল কৰি ৰখাৰ লগতে ইয়াৰ বাসিন্দাসকলৰ ব্যৱহাৰৰ বাবে পানী যোগান ধৰে। পৰিবহণৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ডিব্ৰুগড়ৰ পৰা বাংলাদেশ হৈ কলকাতালৈ জাহাজ পৰিবহণৰ ব্যৱস্থা আছে। এই পথেৰে গধুৰ যন্ত্ৰপাতি আৰু অন্যান্য সামগ্ৰী কঢ়িওৱা হয়। পাণ্ডু আৰু ধুবুৰী হ'ল ব্ৰহ্মপুত্ৰৰ প্ৰধান বন্দৰ। ইয়াৰ উপৰি পলাশবাৰী, খাৰুপেটীয়া, তেজপুৰ, বিশ্বনাথ ঘাট, নিমাতীঘাট আদি ব্ৰহ্মপুত্ৰৰ উল্লেখযোগ্য জাহাজঘাট। অসমৰ নৈ-উপনৈসমূহত বান্ধ দি জলবিদ্যুৎ উৎপাদন কৰাৰ প্ৰচুৰ সম্ভাৱনীয়তা আছে। ভাৰতবৰ্ষৰ জলবিদ্যুৎ উৎপাদনৰ মুঠ সম্ভাৱনীয়তাৰ ২৮ ভাগ অসমতে আছে। বৰ্তমানলৈ কপিলী, কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ জৰিয়তে অতি সামান্য পৰিমাণৰ বিদ্যুৎ শক্তি উৎপাদন কৰা হৈছে। এইবোৰে আমাৰ চাহিদা পূৰণ কৰিব পৰা নাই। বৰ্তমানে নতুন নতুন জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ কাম চলি আছে।




*চিত্ৰ ঃ ৭.২ অসমৰ প্ৰধান নৈ-উপনৈ*

অসমৰ জিলাসমূহত খাল, বিল আদি জলাশয়বোৰ বিস্তৃত হৈ আছে। এই জলাশয়সমূহেও বিভিন্ন প্ৰকাৰৰ জলজ উদ্ভিদ আৰু প্ৰাণীৰ বাসস্থান হিচাপে এক সুকীয়া পৰিৱেশৰ সৃষ্টি কৰিছে। পৰিৱেশ সুস্থিৰ কৰি ৰখাৰ উপৰি জলাশয়সমূহে কিছু পৰিমাণে মাছৰ চাহিদা পূৰণ কৰি আহিছে। অসমত পোৱা কেইবিধমান মাছে আলংকাৰিক মাছ হিচাপে বিদেশৰ বজাৰত আদৰ পাইছে। অসমৰ নৈ-উপনৈ আৰু জলাশয়সমূহত কিছু বছৰ আগলৈ প্ৰচুৰ পৰিমাণে মাছ পোৱা গৈছিল যদিও সম্প্ৰতি এই মাছৰ  সংখ্যা দ্ৰুতভাৱে কমি যাবলৈ ধৰিছে। মানুহে যধে-মধে মাছ ধৰা, জলাশয় দখল কৰি খেতি-বাতি কৰা, ঘৰ সজা, জাবৰ জোথৰ পেলোৱা আদিয়েই ইয়াৰ মূল কাৰণ। তাৰোপৰি এনেবোৰ কাৰ্যই জলাশয়ৰ পৰিমাণো কমাই আনিছে। পৰিৱেশ সুস্থিৰ কৰি ৰখাৰ স্বাৰ্থত এই জলাশয়বোৰৰ সংৰক্ষণ অতি প্ৰয়োজন। অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ উপৰি কিছুসংখ্যক জলাশয়ৰ পৰা পানী বিশুদ্ধ কৰি জনসাধাৰণৰ বাবে খোৱা পানীৰ যোগান ধৰা হৈছে। অসমৰ বিলসমূহৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু তালৈ অহা পৰিভ্ৰমী পক্ষীক কেন্দ্ৰ কৰি উক্ত স্থানসমূহত পৰিৱেশ পৰ্যটন (Eco-Tourism) উদ্যোগ গঢ়াৰ প্ৰচুৰ সম্ভাৱনীয়তা আছে।

পৃষ্ঠ জলভাগৰ উপৰি অসম ভূ-তলজলত সমৃদ্ধ। অসমৰ ভূ-গৰ্ভত সঞ্চিত পানী মানুহে খোৱাপানী, জলসিঞ্চন আৰু ঔদ্যোগিক কাম-কাজত ব্যৱহাৰ কৰে। অসমৰ ভূ-গৰ্ভৰ পানী কৃষি কাৰ্যতো ব্যৱহাৰ কৰা হয়।

**ক্ৰিয়াকলাপ ঃ**

- ব্ৰহ্মপুত্ৰৰ দহখন উপনৈৰ নাম লিখা।
- বৰাকৰ তিনিখন উপনৈৰ নাম লিখা।
- ভূচিত্ৰাৱলীৰ সহায়ত তুমি বাস কৰা জিলাখনৰ তিনিখন প্ৰধান উপনৈৰ নাম লিখা।
- ভূ-তল জল আহৰণ কৰাৰ দুটা ব্যৱস্থা লিখা।

### কৃষিজ সম্পদ ঃ

**ধান ঃ** ধান অসমৰ প্ৰধান কৃষিজাত দ্ৰব্য। ৰাজ্যখনৰ মুঠ কৃষিভূমিৰ ৬৪.৫২ ভাগ মাটিত ধান খেতি কৰা হয়। অসমত বিভিন্ন জাতৰ শালি ধান উৎপাদনৰ উপৰি আহু, বাও আৰু বৰো ধানো উৎপাদন হয়। বানপানী হোৱা অঞ্চলত শীতকালত বৰো খেতিৰ জৰিয়তে অসমত প্ৰচুৰ ধান উৎপাদন কৰা হৈছে। অসমৰ মুখ্য ধান উৎপাদন অঞ্চল দুটি হ'ল- ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ উপত্যকা অঞ্চল। ইয়াৰ উপৰি পাহাৰীয়া জিলা দুখনৰ ঠায়ে ঠায়ে ঝুম আৰু বেদিকা কৃষি প্ৰণালীৰে কিছু পৰিমাণে ধান উৎপাদন কৰা হয়।

**মৰাপাট ঃ** মৰাপাট অসমৰ এবিধ উল্লেখযোগ্য উপাৰ্জক কৃষিজাত দ্ৰব্য। নামনি অসমৰ জিলাকেইখনৰ দ' পলসুৱা অঞ্চলত মৰাপাট যথেষ্ট পৰিমাণে হয়।

**কুঁহিয়াৰ ঃ** ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায়কেইখন জিলাতে কুঁহিয়াৰ উৎপাদন কৰা হয়। তুলনামূলকভাৱে নগাঁও, গোলাঘাট, যোৰহাট আৰু কৰিমগঞ্জ জিলাত কুঁহিয়াৰ অধিক পৰিমাণে হয়।

**ঘেঁহু ঃ** নামনি অসমৰ জিলাকেইখন, যেনে - ধুবুৰী, গোৱালপাৰা, কোকৰাঝাৰ, বঙাইগাঁও, বৰপেটা, নলবাৰী, কামৰূপ আদিত কিছু পৰিমাণে ঘেঁহু উৎপাদন হয়।

মধ্য আৰু নামনি অসমৰ জিলাকেইখনত বিশেষকৈ গোৱালপাৰা, বৰপেটা, কামৰূপ, দৰং, নগাঁও আৰু মৰিগাঁও জিলাত বিভিন্ন মাহ জাতীয় শস্য উৎপাদন হয়। অসমৰ প্ৰায় সকলো জিলাতে কম বেছি পৰিমাণে সঁৰিয়হ, তিল, মাকৈ, আদা, হালধি আদি উৎপাদন হয়।

অসমৰ প্ৰায়বোৰ জিলাতে বিভিন্ন প্ৰকাৰৰ শাক-পাচলি উৎপাদন হয়। ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে থকা ওখ বালিচহীয়া মাটি শাক-পাচলিৰ খেতিৰ বাবে অধিক উপযোগী। কাৰ্বি আংলং আৰু ডিমা হাছাও জিলাৰ পাহাৰীয়া ঢালত যথেষ্ট পৰিমাণে শাক-পাচলি উৎপাদন হয়। তামোল-পাণ, নাৰিকল, কল, সুমথিৰা, নেমু আদি অনেক কৃষিজ দ্ৰব্য অসমৰ প্ৰায়বোৰ ঠাইতে কম বেছি পৰিমাণে হয়।

**চাহ ঃ** চাহ এবিধ ৰোপণ কৃষি। অসম চাহ খেতিৰ বাবে বিখ্যাত। অসমৰ চাহ ৰঙৰ বাবে বিদেশত জনপ্ৰিয়। অসমত প্ৰায় ৮৫০ খন ডাঙৰ চাহ বাগিচা আছে। তাৰোপৰি বৰ্তমান থলুৱা কৃষকসকলে বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ চাহ বাগিচা গঢ়ি তুলিছে। উজনি অসমৰ জিলাসমূহৰ উপৰি মধ্য আৰু নামনি অসমৰ এঢলীয়া ওখ ভূমিত চাহ বাগিচাসমূহ অৱস্থিত। শেহতীয়াভাৱে কাৰ্বি আংলং জিলাত ৰবৰ আৰু কফি খেতিৰ পাম গঢ়ি উঠিছে।

কৃষিকাৰ্যত প্ৰযুক্তিৰ ব্যৱহাৰে অসমত কৃষি উৎপাদন কিছু পৰিমাণে বঢ়াইছে। তথাপি ভূমিৰ ভগ্ন আকাৰ, বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰশীলতা, পৰম্পৰাগত কৃষি প্ৰণালী অনুসৰণ, বানপানীৰ প্ৰভাৱ আদিৰ বাবে বৰ্তমানেও কৃষি কাৰ্যই বাণিজ্যিক ৰূপ পোৱা নাই।

### মানৱ সম্পদ ঃ

জনগাঁথনিৰ ফালৰ পৰা অসম এখন বৈচিত্ৰ্যপূৰ্ণ ৰাজ্য। অতীজৰে পৰা ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ সাৰুৱা ভূমিলৈ বিভিন্ন সময়ত বিভিন্ন জাতি-উপজাতিৰ লোক আহি বসবাস কৰিবলৈ লয়। কালক্ৰমত এইসকলোবোৰ জনগোষ্ঠীৰ লোকৰ সংমিশ্ৰণত অসমত এক সুকীয়া জনগাঁথনি সৃষ্টি হৈছে।

অসম এখন ঘন বসতিপূৰ্ণ ৰাজ্য। ভাৰতৰ মুঠ মাটিকালিৰ ২.৩৯ শতাংশ অসম ৰাজ্যই আগুৰি আছে। ২০১১ চনৰ লোক পিয়লৰ তদৰ্থ (Provisional) তথ্য অনুসাৰে অসমৰ জনসংখ্যা ৩,১১,৬৯,২৭২ জন। ভাৰতৰ অন্যান্য ৰাজ্যৰ জনসংখ্যাৰ তুলনাত অসমৰ স্থান ১৪তম।

তোমালোকে ইতিমধ্যে পাই আহিছা যে, ভূ-প্ৰাকৃতিক অৱস্থা আৰু জীৱন নিৰ্বাহৰ সুবিধা অনুসাৰে জনসংখ্যাৰ বিতৰণ বেলেগ বেলেগ হয়। অসমৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। অসমৰ মুঠ জনসংখ্যাৰ অধিকাংশই ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ সাৰুৱা ভূমিত বসবাস কৰে।

## ২০১১ চনৰ অসমৰ লোকপিয়লৰ তথ্য (তদৰ্থ)

| জিলা | মুঠ জনসংখ্যা | পুৰুষ | মহিলা | ঘনত্ব (প্ৰতি বৰ্গ কিঃ মিঃ) | শিক্ষিতৰ শতকৰা হাৰ | | |
|---|---|---|---|---|---|---|---|
| | | | | | মুঠ | পুৰুষ | মহিলা |
| কোকৰাঝাৰ | ৮,৮৬,৯৯৯ | ৪,৫২,৯৬৫ | ৪,৩৪,০৩৪ | ২৮০ | ৬৬.৬৩ | ৭৩.৪৪ | ৫৯.৫৪ |
| ধুবুৰী | ১৯,৪৮,৬৩২ | ৯,৯৮,৩৪৬ | ৯,৫০,২৮৬ | ১১৭১ | ৫৯.৩৬ | ৬৪.২০ | ৫৪.২৬ |
| গোৱালপাৰা | ১০,০৮,৯৫৯ | ৫,১৪,১৬২ | ৪,৯৪,৭৯৭ | ৫৫৩ | ৬৮.৬৭ | ৭২.৬৭ | ৬৪.৫৩ |
| বৰপেটা | ১৬,৯৩,১৯০ | ৮,৬৭,৮৯১ | ৮,২৫,২৯৯ | ৬৩২ | ৬৫.০৩ | ৭০.৭২ | ৫৯.০৪ |
| মৰিগাঁও | ৯,৫৭,৮৫৩ | ৪,৮৫,৩২৮ | ৪,৭২,৫২৫ | ৬১৮ | ৬৯.৩৭ | ৭৩.৬৬ | ৬৪.৯৯ |
| নগাঁও | ২৮,২৬,০০৬ | ১৪,৪০,৩০৭ | ১৩,৮৫,৬৯৯ | ৭১১ | ৭৩.৭৮ | ৭৮.১৯ | ৬৯.২১ |
| শোণিতপুৰ | ১৯,২৫,৯৭৫ | ৯,৮৯,৯১৯ | ৯,৩৬,০৫৬ | ৩৬৫ | ৬৯.৯৬ | ৭৬.৯৮ | ৬২.৫৩ |
| লখিমপুৰ | ১০,৪০,৬৪৪ | ৫,২৯,৪৮৪ | ৫,১১,১৬০ | ৪৫৭ | ৭৮.৩৯ | ৮৪.৬৬ | ৭১.৯১ |
| ধেমাজি | ৬,৮৮,০৭৭ | ৩,৫৩,০৪৩ | ৩,৩৫,০৩৪ | ২১৩ | ৬৯.০৭ | ৭৫.৬৬ | ৬২.১৩ |
| তিনিচুকীয়া | ১৩,১৬,৯৪৮ | ৬,৭৫,৯৮৬ | ৬,৪০,৯৬২ | ৩৪৭ | ৭০.৯২ | ৭৭.৮৯ | ৬৩.৫৪ |
| ডিব্ৰুগড় | ১৩,২৭,৭৪৮ | ৬,৮০,১১৪ | ৬,৪৭,৬৩৪ | ৩৯৩ | ৭৬.২২ | ৮২.৫৯ | ৬৯.৫২ |
| শিৱসাগৰ | ১১,৫০,২৫৩ | ৫,৮৯,৪৫৪ | ৫,৬০,৭৯৯ | ৪৩১ | ৮১.৩৬ | ৮৬.৭৫ | ৭৫.৬৯ |
| যোৰহাট | ১০,৯১,২৯৫ | ৫,৫৭,৯৪৪ | ৫৩৩৩৫১ | ৩৮৩ | ৮৩.৪২ | ৮৮.৩৪ | ৭৮.২২ |
| গোলাঘাট | ১০,৫৮,৬৭৪ | ৫,৩৯,৯৪৯ | ৫,১৮,৭২৫ | ৩০২ | ৭৮.৩১ | ৮৪.২০ | ৭২.১৮ |
| কাৰ্বি আংলং | ৯,৬৫,২৮০ | ৪,৯৩,৪৮২ | ৪,৭১,৭৯৮ | ৯৩ | ৭৩.৫২ | ৮২.১২ | ৬৪.৬২ |
| ডিমা হাছাও | ২,১৩,৫২৯ | ১,১০,৫৬৬ | ১,০২,৯৬৩ | ৪৪ | ৭৮.৯৯ | ৮৫.৩৪ | ৭২.১৫ |
| কাছাৰ | ১৭,৩৬,৩১৯ | ৮,৮৬,৬১৬ | ৮,৪৯,৭০৩ | ৪৫৯ | ৮০.৩৬ | ৮৫.৮৫ | ৭৪.৬২ |
| কৰিমগঞ্জ | ১২,১৭,০০২ | ৬,২০,৭২২ | ৫,৯৬,২৮০ | ৬৭৩ | ৭৯.৭২ | ৮৫.৭৯ | ৭৩.৪৯ |
| হাইলাকান্দি | ৬৫৯,২৬০ | ৩,৩৮,৭৬৬ | ৩,২০,৪৯৪ | ৪৯৭ | ৭৫.২৬ | ৮১.৬১ | ৬৮.৫৪ |
| বঙাইগাঁও | ৭,৩২,৬৩৯ | ৩,৭৩,৫৯০ | ৩,৫৯,০৪৯ | ৪২৫ | ৭০.৪৪ | ৭৫.৪৮ | ৬৫.১৮ |
| চিৰাং | ৪,৮১,৮১৮ | ২,৪৪,৬৭৫ | ২,৭৩,১৪৩ | ২৪৪ | ৬৪.৭৭ | ৬১.৩৫ | ৫৭.৮৭ |
| কামৰূপ (গ্ৰাম্য) | ১৫,১৭,২০২ | ৭,৭৯,৬০৮ | ৭,৩৭,৫৯৪ | ৪৩৬ | ৭২.৮১ | ৭৭.৬৪ | ৬৭.৬৯ |
| কামৰূপ (মহাঃ) | ১২,৬০,৪১৯ | ৬,৫৫,৬৩০ | ৬,০৪,৭৮৯ | ২০১০ | ৮৮.৬৬ | ৯১.২৬ | ৮৫.৮২ |
| নলবাৰী | ৭,৬৯,৯১৯ | ৩,৯৫,৮০৪ | ৩,৭৪,১১৫ | ৭৬৩ | ৭৯.৮৯ | ৮৫.৫৮ | ৭৩.৮৫ |
| বাগ্সা | ৯,৫৩,৭৭৩ | ৪,৮৪,৮২৫ | ৪,৬৮,৯৪৮ | ৪৭৫ | ৭০.৫৩ | ৭৮.৫৫ | ৬২.২৩ |
| দৰং | ৯,০৮,০৯০ | ৪,৭২,১৩৪ | ৪,৩৫,৯৫৬ | ৪৯১ | ৬৪.৫৫ | ৬৮.৩৬ | ৬০.৪০ |
| ওদালগুৰি | ৮,৩২,৭৬৯ | ৪,২৩,৬১৭ | ৪,০৯,১৫২ | ৪৯৭ | ৬৬,৬০ | ৭৩,৭৯ | ৫৯.১৭ |
| অসম | ৩,১১,৬৯,২৭২ | ১,৫৯,৫৪,৯২৭ | ১,৫২,১৪,৩৪৫ | ৩৯৭ | ৭৩.১৮ | ৭৮.৮১ | ৬৭.২৭ |

**ক্ৰিয়াকলাপ ঃ**

- সিপিঠিত ২০১১ চনৰ অসমৰ লোকপিয়লৰ তদৰ্থ (provisional) তথ্য দিয়া হৈছে। তালিকাখনৰ পৰা তলত দিয়া তথ্যকেইটি আহৰণ কৰি লিখা—

(ক) অসমৰ মুঠ জনসংখ্যা
(খ) সৰ্বাধিক জনসংখ্যাৰ জিলা
(গ) সৰ্বনিম্ন জনসংখ্যাৰ জিলা
(ঘ) সৰ্বাধিক জনসংখ্যাৰ ঘনত্বৰ জিলা
(ঙ) সৰ্বনিম্ন জনসংখ্যাৰ ঘনত্বৰ জিলা
(চ) সৰ্বাধিক শিক্ষিত লোক থকা জিলা
(ছ) অসমৰ মুঠ শিক্ষিত লোকৰ হাৰ
(জ) অসমৰ মহিলা শিক্ষিতৰ হাৰ

শিক্ষাই মানুহক ব্যক্তিগত আৰু সামাজিকভাৱে সচেতন কৰাৰ লগতে কৰ্মদক্ষ কৰি তোলে। অসমত দ্ৰুতগতিত জনসংখ্যা বৃদ্ধি হোৱাৰ ফলত কৃষিভূমিৰ পৰিমাণ হ্ৰাস পোৱাৰ লগতে বনানী ধ্বংস হৈ আহিছে। তাৰোপৰি জনসংখ্যা বৃদ্ধিয়ে নিবনুৱা সমস্যা, অস্বাস্থ্যকৰ পৰিৱেশত জীৱন নিৰ্বাহ, পুষ্টিহীনতা, ৰাজহুৱা সা-সুবিধাৰ অভাৱ আদি সমস্যাৰ সৃষ্টি কৰিছে। উপযুক্ত শিক্ষা ব্যৱস্থাই এনে পৰিস্থিতিৰ অৱসান ঘটোৱাত বিশেষ ভূমিকা ল'ব পাৰে। সেয়েহে ২০০৯ চনৰে পৰা ভাৰতবৰ্ষৰ লগতে অসমতো শিশুৰ শিক্ষাৰ অধিকাৰ আইনৰ অধীনত প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

অসম এখন কৃষি প্ৰধান দেশ। অসমৰ আধাতকৈও বেছিসংখ্যক লোক কৃষি কাৰ্যৰ লগত জড়িত। এনে বৃহৎসংখ্যক লোক জড়িত থকা ক্ষেত্ৰখনৰ বিশেষ উন্নয়ন নোহোৱাৰ ফলত সামগ্ৰিকভাৱে ৰাজ্যখনৰ অৰ্থনীতি দুৰ্বল হৈ আছে। কৃষিৰ উপৰি কিছুসংখ্যক লোক ব্যৱসায় আৰু সেৱামুলক বৃত্তিত নিয়োজিত হৈ আছে।

## মনত ৰাখিবলগীয়া কথা ঃ

- অসমৰ অৰণ্যত বিভিন্ন প্ৰকাৰৰ মূল্যৱান কাঠ, বাঁহ, ঔষধি উদ্ভিদ আদি পোৱা যায়।
- অসমৰ বনজ সম্পদৰ ওপৰত ভিত্তি কৰি বিভিন্ন উদ্যোগ গঢ়ি তোলাৰ যথেষ্ট সম্ভাৱনীয়তা আছে।
- অসমত দ্ৰুতগতিত বনানী ধ্বংস কৰা কাৰ্যই পৰিৱেশৰ ওপৰত কু-প্ৰভাৱ পেলোৱাৰ লগতে জীৱকুলৰো বিপদ মাতি আনিছে।
- অসমত খাৰুৱা তেল, কয়লা, চূণশিল, ছিলিমেনাইট, এছবেচটছ আদি পোৱা যায়।
- অসমৰ ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈসমূহ আৰু জলাশয়সমূহেই হ'ল পৃষ্ঠজলৰ মূল উৎস।
- নদ-নদীৰ লগতে অসমৰ জলাশয়সমূহে মানুহৰ দৈনন্দিন ব্যৱহাৰৰ উপৰি জলসিঞ্চন, মীন পালন আদিৰ বাবে পানীৰ উৎস হিচাপে কাম কৰি আহিছে।
- অসমৰ নদ-নদীসমূহত পৰিৱেশ অনুকূল বান্ধ দি জলবিদ্যুৎ উৎপাদনৰ বিপুল সম্ভাৱনীয়তা আছে।
- অসমৰ বনাঞ্চল আৰু জলাশয়সমূহক পৰিৱেশ পৰ্যটনৰ (Eco-Tourism) ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ যথেষ্ট সুবিধা আছে।
- অসমৰ ভূ-গত জলৰ ভাণ্ডাৰ যথেষ্ট বিশাল।
- ২০১১ চনৰ লোকপিয়ল মতে অসমৰ সৰ্বমুঠ জনসংখ্যা ৩,১১,৬৯,২৭২ জন।
- বৰ্তমান অসমৰ নগাঁও জিলাত সৰ্বাধিক লোকে বাস কৰে।
- ২০১১ চনৰ লোকপিয়ল মতে অসমৰ জনসংখ্যাৰ ঘনত্ব (প্ৰতি বৰ্গ কিল'মিটাৰত) ৩৯৭ গৰাকী।

## অনুশীলনী ঃ

১। উত্তৰ দিয়া—

(ক) কাঠ-বাঁহৰ ওপৰত ভিত্তি কৰি অসমত গঢ়ি উঠা দুবিধ উদ্যোগৰ নাম কি?

(খ) অসমত থকা ব্যঘ্র প্ৰকল্প দুটাৰ নাম।

(গ) অসমৰ কোনখন জিলাত সৰ্বাধিক লোকে বাস কৰে?

(ঘ) বৰ্তমান অসমৰ মুঠ শিক্ষিতৰ হাৰ কিমান?

(ঙ) অসমৰ অধিকাংশ লোকৰ প্ৰধান জীৱিকা কি?

২। সঁচা-মিছা লিখা—

(ক) অসমৰ ২০০ ছেণ্টিমিটাৰকতকৈ অধিক বৰষুণ হোৱা অঞ্চলৰ উদ্ভিদ সাধাৰণতে চিৰসেউজীয়া।

(খ) শিমলু গছ পৰ্ণপাতী উদ্ভিদ শ্ৰেণীৰ অন্তৰ্গত।

(গ) বিভিন্ন বনজ আৰু খনিজ সম্পদত চহকী কাৰ্বি আংলং জিলাৰ জনসংখ্যাৰ ঘনত্ব সৰ্বাধিক।

(ঘ) কপিলী বৰাক নৈৰ এখন উপ-নৈ।

(ঙ) অসমত মহিলাতকৈ পুৰুষৰ শিক্ষিতৰ হাৰ কম।

৩। উদ্ভিদৰ পৰা আমি কি কি পাওঁ? এখন তালিকা কৰা।

৪। বন্য প্ৰাণীসমূহৰ বাবে অভয়াৰণ্যৰ কিয় প্ৰয়োজন? (৫০টা মান শব্দৰ ভিতৰত লিখা।)

৫। অসমৰ খাৰুৱা তেলৰ পুং আৰু কয়লাখনি থকা ঠাইসমূহৰ নাম লিখা।

৬। ভূ-তলজলৰ ব্যৱহাৰ সম্পৰ্কে প্ৰায় ৫০টা শব্দৰ ভিতৰত লিখা।

৭। অসমৰ এখন নক্সা অংকন কৰি পাঠত দিয়া মানচিত্ৰ আৰু ভুচিত্ৰাৱলীৰ সহায়ত তলত দিয়াবোৰ বহুওৱা।

(ক) ৩টা খাৰুৱা তেলৰ পুং

(খ) ৩টা কয়লাখনি

(গ) ২টা তেল শোধনাগাৰ

(ঘ) চূণ শিল পোৱা এখন ঠাই

(ঙ) তাৰা বিল, শিৱসাগৰ পুখুৰী

(চ) এটি নদী বন্দৰ

(ছ) সোৱণশিৰি, পাগলাদিয়া, দিখৌ, ধনশিৰি, জাতিঙ্গা, ধলেশ্বৰী উপনৈ

৯। শিক্ষকক সুধি ২০০৯ চনত গ্ৰহণ কৰা শিশুৰ শিক্ষাৰ অধিকাৰ আইন সম্পৰ্কে ১০০-১২০টা শব্দৰ ভিতৰত এখন ৰচনা লিখা।